**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-FEB-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। অসমৰ ক্ৰীড়া ক্ষেত্ৰক বিশ্বমানৰ ৰূপ দিয়াৰ বাবে প্ৰতিখন জিলাতে আধুনিক ক্ৰীড়া আন্তঃগাঁথনি নিৰ্মাণ কৰি থকা হৈছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২। স্নাতক উত্তীৰ্ণ শিক্ষাৰ্থীৰ সংস্থাপনৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে আজি মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনি মুকলি।

৩। ৰাজ্যৰ চৰকাৰী বিদ্যালয়ৰ শিক্ষকসকলৰ আৰ্জিত ছুটী ১৫ দিনলৈ বৃদ্ধি কৰা সন্দৰ্ভত আনুষ্ঠানিক অধিসূচনা জাৰি।

৪। খানাপাৰাৰ কৃষি সঞ্চালকালয়ৰ চৌহদৰ খেলপথাৰত আজিৰে পৰা ২৫ সংখ্যক ৰাজ্যিক কৃষি উদ্যান শস্য মেলা। **আৰু**

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইটৰ এখন খেলত যোৱানিশা শ্ৰীলংকাৰ বিৰুদ্ধে নিউজিলেণ্ডৰ ৬১ ৰানত জয়লাভ।

oooooo

অসমৰ ক্ৰীড়া ক্ষেত্ৰক বিশ্বমানৰ ৰূপ দিয়াৰ বাবে প্ৰতিখন জিলাতে আধুনিক ক্ৰীড়া আন্তঃগাঁথনি নিৰ্মাণ কৰি থকা হৈছে। ৰাজ্যৰ ক্ৰীড়া ক্ষেত্ৰত নতুন মাত্ৰা সংযোজনেৰে লখিমপুৰ জিলাত নৱনিৰ্মিত লাভলীনা বৰগোহাঁই ক্ৰীড়া ক্ষেত্ৰ মুকলি কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি এইকথা প্ৰকাশ কৰে। তেওঁ কয়, যে নিৰ্মাণৰত এই ক্ৰীড়া পৰিসৰসমূহ ৰাজ্যৰ তাৰকা খেলুৱৈসকলৰ নামত উৎসৰ্গা কৰা হ'ব। এই ক্ৰীড়া আন্তঃগাঁথনিয়ে ৰাজ্যখনৰ প্ৰতিভাসমূহক বিশ্ব দৰবাৰলৈ লৈ যোৱাৰ সুবিধা প্ৰদান কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লাভলীনা বৰগোহাঁই ক্ৰীড়া ক্ষেত্ৰক কেৱল আন্তঃগাঁথনিয়ে নহয় বৰঞ্চ অসমৰ যুৱ শক্তিৰ সপোন, সাহস আৰু সম্ভাৱনাৰ শক্তিশালী মঞ্চ বুলি উল্লেখ কৰে। কালি ষ্টেডিয়ামখনৰ পৰা ফেচবুক লাইভযোগে মুখ্যমন্ত্ৰীয়ে এই বিষয়ে প্ৰকাশ কৰে--

**বাইট (চি এম)**

অনুষ্ঠানত অংশ লৈ তাৰকা বক্সাৰ লাভলীনা বৰগোহাঁইয়ে খেলুৱৈসকলক এই ক্ৰীড়া ক্ষেত্ৰৰ সম্পূৰ্ণ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। খেলুৱৈগৰাকীয়ে লগতে নিজৰ নামত ষ্টেডিয়াম নিৰ্মাণক লৈ আনন্দ প্ৰকাশ কৰে।

**বাইট (লাভলীনা বৰগোহাঁই)**

ড° শৰ্মাই কালি লখিমপুৰত আন কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে এখন জনসভাত অংশ লৈ লখিমপুৰ আৰু ধেমাজি জিলাৰ মুঠ ৪ হাজাৰ ৮৭৫ গৰাকী উদ্যমী যুৱক-যুৱতীৰ মাজত আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰে।

oooooo

স্নাতক উত্তীৰ্ণ শিক্ষাৰ্থীৰ সংস্থাপনৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে আজি মুখ্যমন্ত্ৰীৰ জীৱন প্ৰেৰণা আঁচনিৰ অধীনত ৪৮ হাজাৰ ৩১৯ গৰাকী শিক্ষাৰ্থীৰ মাজত প্ৰত্যক্ষ লাভালাভ হস্তান্তৰযোগে অনুদান প্ৰদান কৰা হ'ব। এই

আঁচনিৰ অধীনত চৰকাৰী বা ৰাজহুৱা প্ৰতিষ্ঠানৰ পৰা ২০২৫ বৰ্ষত স্নাতক ডিগ্ৰী লাভ কৰা শিক্ষাৰ্থীসকলে এবছৰৰ বাবে দুহেজাৰ ৫০০ টকাকৈ লাভ কৰিব। তদুপৰি শৈক্ষিক উৎকৰ্ষতা আৰু উদ্ভাৱনক উদগণি যোগোৱাৰ উদ্দেশ্যে আজি মুখ্যমন্ত্ৰীৰ জীৱন অনুপ্ৰেৰণা আঁচনিৰ অধীনত দুহেজাৰ ১১২ গৰাকী গৱেষকক অনুদান প্ৰদান কৰা হ'ব। ইয়াৰ অধীনত চৰকাৰী আৰু ৰাজহুৱা প্ৰতিষ্ঠানৰ পৰা পূৰ্ণকালীন গৱেষণাৰ বাবে গৱেষকসকলক ২৫ হাজাৰ টকাকৈ আৰু দিব্যাংগ গৱেষকসকলক ৪০ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। এই উপলক্ষে আজি গুৱাহাটীৰ খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগু আৰু দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন উপস্থিত থাকিব। মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই অনুষ্ঠানৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে আই টি আই আৰু পলিটেকনিকসমূহত স্থাপন কৰা উদ্যোগ ৪.০ প্ৰযুক্তি কেন্দ্ৰসমূহ উদ্বোধন কৰিব।

আজিৰ এই অনুষ্ঠানতে আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ ছাত্ৰসকলক সকাহ দিয়াৰ উদ্দেশ্যে মুখ্যমন্ত্ৰীৰ নিযুত বাবু আঁচনিৰ শুভাৰম্ভ কৰা হ'ব। ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানৰ বাহিৰে স্নাতক আৰু স্নাতকোত্তৰ বৰ্ষত নামভৰ্তি কৰা চৰকাৰী আৰু অপ্ৰাদেশিকীকৃত শিক্ষানুষ্ঠানৰ ছাত্ৰসকলে এই আঁচনিৰ সুবিধা লাভ কৰিব। এই আঁচনিৰ অধীনত ২০২৬-২৭ বৰ্ষত ৪৭ হাজাৰ ৩৯৫ গৰাকী ছাত্ৰৰ মাজত মুঠ ১২ কোটি টকাৰ অনুদান প্ৰদান কৰা হ'ব।

000000

অসম চৰকাৰে ৰাজ্যৰ চৰকাৰী বিদ্যালয়ৰ শিক্ষকসকলৰ আৰ্জিত ছুটী ১৫ দিনলৈ বৃদ্ধি কৰা সন্দৰ্ভত আনুষ্ঠানিক অধিসূচনা জাৰি কৰিছে। ৰাজ্যৰ বিত্ত বিভাগে অসম ছুটী সংশোধন বিধি, ২০২৬ সন্দৰ্ভত এই অধিসূচনা জাৰি কৰিছে। ৰাজপত্ৰিত অধিসূচনাত প্ৰকাশ পোৱাৰ পাছতে এই বিধি কাৰ্যকৰী হ'ব। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰৰ অন্যান্য কৰ্মচাৰীসকলৰ দৰে আৰ্জিত ছুটী প্ৰদান কৰিবলৈ শিক্ষক সমাজে দাবী উত্থাপন কৰি আহিছে। এই অনুসৰি চৰকাৰে শেহতীয়াকৈ শিক্ষকসকলক এই ছুটী প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰে।

000000

খানাপাৰাৰ কৃষি সঞ্চালকালয়ৰ চৌহদৰ খেলপথাৰত আজিৰে পৰা এক মাৰ্চলৈ ২৫ সংখ্যক ৰাজ্যিক কৃষি উদ্যান শস্য মেলাৰ আয়োজন কৰা হৈছে। অসম উদ্যান শস্য সমিতিয়ে ৰাজ্য চৰকাৰৰ কৃষি সঞ্চালকালয়, উদ্যান শস্য আৰু খাদ্য প্ৰসংস্কৰণ সঞ্চালকালয়ৰ লগতে অসম কৃষি বিশ্ববিদ্যালয়ৰ সহযোগত আয়োজন কৰা এই মেলাত ৮০ খনৰো অধিক বিপনীয়ে অংশ লৈছে। বিপনীসমূহত বিভিন্ন জিলাৰ উন্নত মানৰ কৃষিজাত আৰু উদ্যানশস্যৰ সামগ্ৰী বিক্ৰীৰ লগতে কৃষি উদ্যান প্ৰযুক্তি বিষয়ক প্ৰদৰ্শনীৰো ব্যৱস্থা কৰা হৈছে। অসম আৰক্ষীৰ প্ৰাক্তন সঞ্চালক প্ৰধান তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কুলধৰ শইকীয়াই এই মেলা মুকলি কৰিব। উল্লেখযোগ্য যে অসমত প্ৰচুৰ লাভৰ সম্ভাৱনা থকা উদ্যান শস্যৰ ক্ষেত্ৰৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে অসম উদ্যান শস্য সমিতিয়ে ১৯৯৫ চনত প্ৰথমবাৰৰ বাবে মেলাৰ আয়োজন কৰিছিল। এই মেলাত প্ৰথম অৱস্থাত পুলি বাগানকো প্ৰাধান্য দিয়া হৈছিল। ইয়াৰ পাছত দুবাৰ আন্তৰ্জাতিক উদ্যান শস্য মেলাও অনুষ্ঠিত হয়। এইবাৰৰ মেলাত পুস্পসজ্জা, ৰন্ধন কলা, পাচলি, সতেজ ফুল, ফল-মুল, চাদৰ ওপৰত কৰা বাগিচা প্ৰতিযোগিতা আদিৰ আয়োজন কৰা হৈছে। ইয়াৰ লগতে কৃষি আৰু উদ্যান শস্য বিষয়ক কেইবাখনো আলোচনাচক্ৰ, প্ৰশিক্ষণ আদি অনুষ্ঠিত হ'ব। এই সন্দৰ্ভত কালি এখন সংবাদমেলত অসম উদ্যান শস্য সমিতিৰ এগৰাকী উদ্যোক্তাই এইদৰে কয় –

**বাইট**

000000

ৰাজ্যৰ প্ৰশাসনিক আন্তঃগাঁথনিত নৱতম সংযোজন হিচাপে দিছপুৰৰ জনতা ভৱনৰ ব্লক-বিৰ আজি উদ্বোধন কৰা হ'ব। ১০০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই অত্যাধুনিক ভৱনত লোকনিৰ্মাণ, জনস্বাস্থ্য কাৰিকৰী, জলসিঞ্চন আৰু জলসম্পদ সচিবালয়ৰ লগতে জলসিঞ্চন সঞ্চালকালয় থাকিব। ভৱনটোৰ প্ৰতিটো মহলাতে

উন্নতমানৰ দৃশ্য-শ্ৰাব্য ব্যৱস্থাসহ আলোচনা কক্ষ, কৰ্মচাৰীৰ বাবে ক'ৰ্পৰেট শৈলীৰ কৰ্মক্ষেত্ৰ, জ্যেষ্ঠ বিষয়া আৰু মন্ত্ৰীৰ বাবে পৃথক কক্ষকে ধৰি অন্যান্য সুবিধাসমূহ থাকিব। জনতা ভৱনত আজি সন্ধিয়া আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই ব্লকটো উদ্বোধন কৰিব। অনুষ্ঠানত সাধাৰণ প্ৰশাসন বিভাগৰ মন্ত্ৰী ৰণজিত কুমাৰ দাস আৰু ৰাজ্য চৰকাৰৰ মুখ্য সচিব ড০ ৰবি কোটা উপস্থিত থাকিব।

০০০০০০

ইতিহাস প্ৰসিদ্ধ ৰহাৰ জোঙালবলহু পৰ্যটন ক্ষেত্ৰ অহা চাৰি মাৰ্চত জনসাধাৰণৰ বাবে মুকলি কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই ক্ষেত্ৰখন ৰাইজৰ বাবে মুকলি কৰিব। প্ৰায় ১০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা জোঙালবলহু পৰ্যটন ক্ষেত্ৰ অসমৰ গৌৰৱময় ইতিহাসৰ উজ্জ্বল চানেকি। বীৰ ৰজা জোঙালবলহুৰ শৌৰ্যবীৰ্যৰ কাহিনী আৰু মধ্য অসমৰ অতীত গৌৰৱৰ প্ৰতীক জোঙালবলহু গড় সংৰক্ষণৰ অভাৱত লুপ্তপ্ৰায় হৈছিল যদিও ৰাজ্য চৰকাৰে অত্যাধুনিক পৰ্যটন ক্ষেত্ৰ হিচাপে এই স্থান বিকশাই তুলিছে। এই পৰ্যটন ক্ষেত্ৰ সংগ্ৰহালয়, অতিথিশালা, ৰংমহল, তিৰাসকলৰ ছামাদি বা ডেকাচাং, বৰঘৰ, শিশুৰ ওমলা বনকে ধৰি বিভিন্ন উপাদানেৰে সমৃদ্ধ কৰা হৈছে। তদুপৰি পুখুৰীৰ পাৰৰ শোভাবৰ্ধন কৰি নৌকা বিহাৰৰো সুবিধা ৰখা হৈছে। ৰজা জোঙালবলহুৰ প্ৰতিমূৰ্তি স্থাপন কৰি এইক্ষেত্ৰ অধিক জীৱন্ত কৰি তোলাৰ প্ৰয়াস কৰা হৈছে।

০০০০০০

দেশৰ ৰন্ধন গেছ বিতৰণ খণ্ডত নিয়োগ আৰু উদ্যমশীলতা বিকাশৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি গ্ৰহণ কৰা 'পাইপ লাইনৰ পৰা সম্ভাৱনা'লৈ শীৰ্ষক প্ৰকল্পৰ অধীনত মাজুলীত এটা ছমহীয়া প্ৰশিক্ষণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। যোৱা বছৰৰ ছেপ্তেম্বৰৰ পৰা ৰূপায়িত এই কাৰ্যসূচীত ৰাজ্যৰ কেইবাখনো জিলাৰ ৬০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। এই প্ৰশিক্ষণকালত অসম গেছ কোম্পানী লিমিটেডৰ গ্ৰীড কাৰ্যক্ষম হৈ থকা ৫খন জিলা – তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট আৰু গোলাঘাটত গেছ বিতৰণ সম্পৰ্কীয় ব্যৱহাৰিক শিক্ষাদান কৰা হয়। ইয়াৰ জৰিয়তে নগৰাঞ্চলত ৰন্ধন গেছ বিতৰণ খণ্ডত থকা নিয়োগৰ সম্ভাৱনা মুকলি কৰাৰ প্ৰয়াস কৰা হয়। উল্লেখযোগ্য যে নগৰাঞ্চলত গেছ বিতৰণৰ এই নেটৱৰ্ক দেশৰ ৩৪ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৭৮৪ খন জিলাত আছে আৰু ইয়াৰ জৰিয়তে ২০৩৪ চনৰ ভিতৰত ১২ কোটি ৬৩ লাখ পি এন জি সংযোগ প্ৰদান কৰা আৰু ১৮ হাজাৰ ৩৩৬টা চি এন জি ষ্টেচন গঢ়ি তোলাৰ লক্ষ্য লোৱা হৈছে।

০০০০০০

গুৱাহাটীৰ আৰ্য বিদ্যাপীঠ মহাবিদ্যালয় খেলপথাৰত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ফীট ইণ্ডিয়া মহোৎসৱ অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০১৯ চনৰ ২৯ আগষ্টত শুভাৰম্ভ কৰা ফীট ইণ্ডিয়া আন্দোলনৰ জৰিয়তে শাৰিৰীক সুস্থতাৰ বিষয়টো দৈনন্দিন জীৱনৰ অবিচ্ছেদ্য অংগ কৰি লোৱাৰ আৰু শাৰিৰীকভাৱে অধিক সক্ৰিয় সমাজৰ প্ৰসাৰ কৰিব খোজা হৈছে। যোৱা বছৰ নতুন দিল্লীত অনুষ্ঠিত ফীট ইণ্ডিয়া মহোৎসৱৰ প্ৰতি জনসাধাৰণৰ বিপুল সঁহাৰিলৈ চাই দেশৰ বিভিন্ন ঠাইলৈ এই মহোৎসৱৰ সম্প্ৰসাৰণ কৰা হৈছে। এই ৰাষ্ট্ৰজোৰা জনসম্পৰ্ক অভিযানৰ অংশ হিচাপে ভাৰতীয় খেল প্ৰাধিকৰণৰ গুৱাহাটী শাখাই উত্তৰ-পূৰ্বাঞ্চলৰ সাংস্কৃতিক বৈচিত্ৰ্যৰ সৈতে শাৰীৰিক সুস্থতাৰ সমাহাৰেৰে সুকীয়া আঞ্চলিক বৈশিষ্ট্যৰ সৈতে এই মহোৎসৱৰ আয়োজন কৰিছে। মহোৎসৱত জুম্বা, যোগ কৰ্মশালা, পৰম্পৰাগত খেল-ধেমালিকে ধৰি বিভিন্ন বয়সৰ লোকৰ বাবে ভিন ভিন সত্ৰৰ আয়োজন কৰা হ'ব। মহোৎসৱৰ সৈতে সংগতি ৰাখি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হ'ব।

০০০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত অনুষ্ঠিত ছুপাৰ এইটৰ এখন খেলত নিউজিলেণ্ডে শ্ৰীলংকাক ৬১ ৰানত পৰাস্ত কৰে।

এই জয়ৰ সুবাদত নিউজিলেণ্ডে ছেমি ফাইনেলত প্ৰৱেশৰ সম্ভাৱনা সুদৃঢ় কৰাৰ বিপৰীতে শ্ৰীলংকাই প্ৰতিযোগিতাৰ পৰা বিদায় লোৱাটো নিশ্চিত হৈছে।

কালিৰ খেলখনত শ্ৰীলংকাই **১৬৯** ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই **১০৭** ৰাণহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে নিউজিলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত অভাৰত ৭ উইকেটৰ বিনিময়ত **১৬৮** ৰান সংগ্ৰহ কৰে।

প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোডী ষ্টেডিয়ামত হবলগীয়া ছুপাৰ এইটৰ এখন খেলত ৱেষ্ট ইণ্ডিজ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হব। খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব।

সন্ধিয়া ৭ বজাত চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত ভাৰত জিম্বাবুৱেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

ৰঙালী বিহুৰ পূৰ্বে অসমত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনা, নিৰ্বাচনৰ প্ৰাকক্ষণত মুখ্যমন্ত্ৰী, কেন্দ্ৰীয় মন্ত্ৰীৰ অংশগ্ৰহণেৰে বিজেপিৰ জন আশীৰ্বাদ যাত্ৰা, শিক্ষক-কৰ্মচাৰীলৈ আৰ্জিত ছুটী বৃদ্ধি, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ইজৰাইলৰ সংসদৰ সৰ্বোচ্চ সন্মান প্ৰদানকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ খবৰে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতৰ প্ৰথম পৃষ্ঠা দখল কৰিছে।

ইজৰাইলৰ সংসদত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক হৰ্ষধ্বনিৰে আদৰণি জনোৱাৰ লগতে ইজৰাইলী সংসদৰ সৰ্বোচ্চ সন্মান 'স্পীকাৰ অব্ না নেচেট' আগবঢ়োৱা হয়। বাতৰিটো **অসমীয়া প্ৰতিদিন, দৈনিক জনমভূমি, দা ছেণ্টিনেল**ৰ লগতে কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ৰাজ্যৰ নিৰ্বাচনকেন্দ্ৰিক বাতৰি আজিৰ কাকতসমূহত বিশেষ গুৰুত্ব লাভ কৰা পৰিলক্ষিত হৈছে। এই সন্দৰ্ভত **দৈনিক অসম** কাকতে 'যোৰহাটত মুখ্যমন্ত্ৰী ডঃ শৰ্মা – বিহুৰ পূৰ্বে নিৰ্বাচন বিচাৰে চৰকাৰে, নিৰ্বাচনী যুঁজত বিজেপিত এইবাৰ ৪০ নতুন মুখ' আৰু **আমাৰ অসম** কাকতে 'নিৰ্বাচন আয়োগক অনুৰোধ জনালে মুখ্যমন্ত্ৰীয়ে, বিহুৰ পূৰ্বেই ৰাজ্যত নিৰ্বাচন' শিৰোনামেৰে একোটা বাতৰি প্ৰকাশ কৰিছে। **অসমীয়া খবৰ**কে ধৰি অন্যান্য কাকতসমূহেও বিজেপি-কংগ্ৰেছকে ধৰি ৰাজনৈতিক দলসমূহৰ সমীকৰণ তথা তৎপৰতাৰ কেইবাটাও বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। নিৰ্বাচন সম্পৰ্কীয় **দি আছাম ট্ৰিবিউন** কাকতৰ এটা বাতৰিৰ শিৰোনাম 'Seat sharing talks with Raijor Dal still inconclusive: Gaurav'।

২৮ ফেব্ৰুৱাৰীত ভাৰতীয় জনতা পাৰ্টীয়ে ৰাজ্যজুৰি জনসম্পৰ্ক স্থাপনৰ লক্ষ্যৰে আৰম্ভ কৰিবলগীয়া জন আশীৰ্বাদ যাত্ৰা সন্দৰ্ভত এটা বিতং বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ৰাজ্যৰ চৰকাৰী বিদ্যালয়ৰ শিক্ষকসকলৰ আৰ্জিত ছুটী বৃদ্ধি সন্দৰ্ভত আনুষ্ঠানিক অধিসূচনা জাৰি কৰাৰ বাতৰিটো আজি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ বিচাৰ প্ৰক্ৰিয়া চৰকাৰে ইচ্ছাকৃতভাৱে লেহেমীয়া কৰাৰ অভিযোগেৰে কেইবাটাও দল-সংগঠনে কালি গুৱাহাটীত প্ৰতিবাদ সাব্যস্ত কৰাৰ এটা খবৰ **দৈনিক অগ্ৰদূত**কে ধৰি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০

প্ৰসিদ্ধ চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱালৈ ২০২৬ বৰ্ষৰ মোমাই তামুলী বৰবৰুৱা বঁটা আগবঢ়োৱা হৈছে। টাই-আহোম যুৱ পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিয়ে কালি গুৱাহাটীত এখন সংবাদমেলযোগে এই বঁটা প্ৰদানৰ বিষয়ে

ঘোষণা কৰে। এই অনুসৰি ২২ মাৰ্চত ডিব্ৰুগড় জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত চলচ্চিত্ৰ পৰিচালকগৰাকীক এই বঁটাৰে সন্মানিত কৰা হ'ব।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩০ ডিগ্ৰী ছেলছিয়াছ্ আৰু সৰ্বনিম্ন ১৫ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ আৰু অসমৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ আৰু মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ বতৰ শুকান হৈ থকাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**